জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৬৬/২০২১

**রাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদৰ সৈতে মুখ্যমন্ত্ৰীৰ গুৰুত্বপূৰ্ণ বৈঠক**

# ৰাজ্যত দুগ্ধ বিপ্লৱৰ সূচনা কৰাৰ উদ্দ্যেশৰে এন ডি ডি বি আৰু ৰাজ্য চৰকাৰ সহযোগিতাৰে গঠন হ'ব যুটীয়া কোম্পানী

## দুগ্ধ খণ্ডত মূল্য সংযোজনৰ ওপৰত মুখ্যমন্ত্ৰীৰ গুৰুত্ব আৰোপ

**দিছপুৰ, ১৩ ছেপ্টেম্বৰ ঃ** ৰাজ্যখনৰ দুগ্ধপালকসকলৰ অৰ্থনৈতিক অৱস্থা ত্বৰান্বিত কৰা আৰু এই খণ্ডটোক বাণিজ্যিকভাবে আগুৱাই নিয়াৰ উদ্দেশ্যৰে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৌৰোহিত্যত ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদ( এন ডি ডি বি)ৰ শীৰ্ষ বিষয়াসকলৰ সৈতে জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত এক গুৰুত্বপূৰ্ণ বৈঠক অনুস্থিত হয়। বৈঠকত এন ডি ডি বিৰ দ্বাৰা ৰাজ্যখনত দুগ্ধ উৎপাদন বৃদ্ধিৰ বাবে গ্ৰহণ কৰা প্ৰকল্প আৰু পদক্ষেপসমূহৰ বিষয়ে বিতংভাবে আলোচনা কৰা হয়। বৈঠকৰ আৰম্ভণিতে ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদৰ অধ্যক্ষ মীনেশ শ্বাহে ৰূপায়িত প্ৰকল্প আৰু এই খণ্ডত গ্ৰহণ কৰিবলগীয়া বিভিন্ন প্ৰকল্পসমূহৰ আলোকপাতেৰে এক প্ৰেজেনটেশ্যন আগবঢ়ায়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত সমন্বিত প্ৰচেষ্টাৰে দুগ্ধ উন্নয়ন খণ্ডৰ বিকাশ সাধনৰ বাবে ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদ আৰু ৰাজ্য চৰকাৰৰ সহযোগিতাত এটা যুটীয়া কোম্পানী খুলিবলৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাৰ বাবে এন ডি ডি বি ৰ অধ্যক্ষগৰাকীক আহ্বান জনোৱাৰ লগতে এই ক্ষেত্ৰত সকলো ধৰণৰ সহযোগিতা আগবঢ়াবলৈ পশুপালন আৰু পশু চিকিৎসা বিভাগক নিৰ্দেশ দিয়ে। তেওঁ কয় যে সম সংখ্যক অংশীদাৰিত্বৰে গঠন হ'বলগীয়া এই যুটীয়া কোম্পানীৰ অধ্যক্ষ হ'ব ৰাজ্যৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী। এন ডি ডি বিৰ এগৰাকী শীৰ্ষ বিষয়াই কোম্পানীটোৰ পৰিচালন সঞ্চালকৰ দায়িত্ব বহন কৰিব। অহা অক্টোবৰ মাহৰ ভিতৰত যাৱতীয় কাম-কাজ সংহত কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। অহা নৱেম্বৰ মাহৰ পৰা এই কোম্পানীয়ে কাম-কাজ আৰম্ভ কৰিব। ইয়াৰ ফলত ৰাজ্যখনত দুগ্ধ বিপ্লৱে নতুন ৰূপ লাভ কৰাৰ লগতে দুগ্ধপালকসকল লাভান্বিত হ'ব পাৰিব বুলিও তেওঁ কয়।

ৰাজ্যখনত দুগ্ধ বিপ্লৱৰ সূচনা কৰাৰ বাবে তথা পশুপালক সকলে যাতে সৰ্বাধিক মূল্য লাভ কৰিব পাৰে, সেই দিশত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে ইয়াৰ বাবে ৰাজ সাহায্য প্ৰদান কৰিব। অহা পাঁচ বছৰৰ ভিতৰত ৰাজ্যখনত প্ৰতিদিনে ১০ লাখ লিটাৰ দুগ্ধ উৎপাদন কৰিব পৰাকৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ তেওঁ এন ডি ডি বি বিষয়াসকলক কয়। মূল্য সংযোজিত কৰিব পৰাকৈ ৰাজ্যখনত উৎপাদিত গাখীৰৰ সংসাধন আন্তঃগাঁথনি অধিক শক্তিশালী কৰাৰ ওপৰটো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

আজিৰ এই বৈঠকত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী অতুল বৰা, অতিৰিক্ত মুখ্য সচিব মণিন্দৰ সিং, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, এন ডি ডি বি ৰ অধ্যক্ষ মীনেশ সাহ, ৰিজনেল হেড জিগনেশ শ্বাহ, পুৰবী ডায়েৰীৰ পৰিচালন সঞ্চালক প্ৰমুখ্যে পশুপালন আৰু পশু চিকিৎসা বিভাগৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**
**১৩-০৯-২০২১**